## বৈজ্ঞানিক শ্ৰেণী বিভাজন

| | | |
|---|---|---|
| জগৎ | - | প্লেনটেই (Plantae) |
| (অ শ্ৰেনীভুক্ত) | - | এনগিওছপাৰ্মচ (Angiosperms) |
| (অ শ্ৰেনীভুক্ত) | - | ইউডিকোটচ্ (Endicots) |
| (অ শ্ৰেনীভুক্ত) | - | এছটেৰিডচ্ (Asterids) |
| ক্ৰম | - | ছোলানাছিয়ে (Solanales) |
| বংশ পৰিয়াল | - | ছোলানাছিয়ে (Solanaceae) |
| উপ বংশ | - | পিটুনিয়োডিয়ে (Petunioideae) |
| জাতি | - | পিটুনিয়া (Petunia) |

## প্ৰধানত ঃ

দক্ষিণ আমেৰিকাৰ পিটুনিয়া জাতিটো প্ৰায় ৩৫ টা বিভিন্ন ধৰণৰ এবিধ ফুলৰ গছ। ইয়াক সাধাৰণতে তুলনা কৰিব পাৰি ধপাত গছৰ লগত। বিলাহী গছৰ লগত আলু আৰু জলকীয়া গছৰ লগত এইজনপ্ৰিয় পিটুনিয়া ফুলবিধৰ গুণবাচক নামটো ফৰাচী শব্দ পিটুনৰ পৰা আহিছে যাৰ অৰ্থ হ'ল প্ৰধানকৈ ধপাত। পিটুনিয়াৰ বিভিন্ন প্ৰজাতি বিলাক বাগিছা বিলাকত হাইব্ৰিড হিচাপে পোৱা যায়।

পিটুনিয়া জাতিটো ছোলানছিয়ে বংশ আৰু উপবংশ পিটুনিয়োডিয়েৰ পৰা অহা। ছোলানছিয়ে বংশৰ নাম থকা জাতি কেইটামান ধপাত, বিলাহী, আলু আৰু জলকীয়া আদি। কিছুমান উদ্ভিদবিদে পিটুনিয়া প্ৰজাতিটো কেলিব্ৰাচোৱা প্ৰজাতি বুলি কৈছিল, কিন্তু কিছুমানে তাক গ্ৰহণ নকৰিলে। কেলিব্ৰাচোৱা আৰু পিটুনিয়াৰ হাইব্ৰিড প্ৰজাতিটো হ'ল পেটচোৱা।



## পিটুনিয়াৰ বিভিন্ন প্ৰকাৰ ঃ

পিটুনিয়াৰ বিশেষ হাইব্ৰীড বিলাকৰ দুটা ধৰণে পোৱা যায়, ওখ আৰু চাপৰ। ইয়াৰ প্ৰজাতি গ্ৰেণ্ডিফ্লোৰা আৰু নানা কমপেক্তত দুটাকৈ বিভিন্ন ৰঙৰ ফুল পোৱা যায়।

## পিটুনিয়াৰ বাবে মাটি ঃ

শুকান বালিচহীয়া মাটি পিটুনিয়া ফুল খেতিৰ বাবে উপযোগী। পিটুনিয়াৰ পুলিটোৰ ৪ টা মান পাত ওলোৱাৰ পিছত নিগাজী স্থানত ৰুব লাগে। ২০ ছেঃ মিঃ ব্যৱধানত ইয়াক ৰুব লাগে।

## পিটুনিয়াত জৈৱ আৰু ৰাসায়নিক সাৰৰ প্ৰয়োগ ঃ

কম পৰিমাণত ৰাসায়নিক সাৰ পিটুনিয়াত প্ৰয়োগ কৰিব পাৰি লগতে শুকান গোবৰ গুৰি আৰু মিশ্ৰণ কৰা জৈৱ সাৰ পিটুনিয়াত প্ৰয়োগ কৰিব পাৰি।

## পিটুনিয়াৰ লালন-পালন ঃ

সময়মতে অলাগতীয়াল পোকবিলাক কাটি দিব লাগে যাৰ ফলত গছ ডালৰ কাষৰীয়া পোখাবিলাক বৃদ্ধি পাই। মৰহি যোৱা ফুলবোৰ তৎ ক্ষণাত গুছাই পেলাব লাগে ফলত গছডালত ফুল ফুলাটো বৃদ্ধি হয়।

## পিটুনিয়াৰ খেতি ঃ

পিটুনিয়াৰ খেতিৰ বাবে প্ৰয়োজন শুকান অৱস্থা আৰু গৰম পৰিৱেশ। পিটুনিয়াক দৰকাৰ সূৰ্য্য অস্তৰ শেষৰ পাচ ঘণ্টাৰ সূৰ্য্যৰ পোহৰ। পিটুনিয়া বৃদ্ধি পায় শুকান অৱস্থাত আৰু কম জীপাল অৱস্থাত। বীজৰ পৰাই পিটুনিয়াৰ পুলি বনোৱা হয়। শুকান পৰিৱেশত পিটুনিয়াক সদায় পানীৰ প্ৰয়োজন। পিটুনিয়া সকলোতকৈ বৃদ্ধি পায় বসন্ত কালৰ শেষৰ ফালে। ভিন্নতাৰ ওপৰত ভিত্তি কৰি ৰাসয়নিক সাৰ প্ৰয়োগ কৰিব লাগে প্ৰায় প্ৰতি সপ্তাহ বা মাহৰ মূৰে মূৰে। সাৰ প্ৰয়োগৰ ফলত পিটুনিয়াৰ তাৎক্ষণিক বৃদ্ধি ঘটে। পিটুনিয়াক ওলোমাই থোৱা টাবটো ৰুব পাৰি।

গছ-গছনি ৰোৱা বিদ্যা বিষয়ত বহুতো চৰ্ত সাপেক্ষে পিটুনিয়াক ৰোৱা হয়। তাৰ ভিতৰত গ্ৰেণ্ডফ্লোৰা, মাল্টিফ্লোৰা, ওৱেৰ চুপাৰটিউনিয়া, কেছকেডিয়া আৰু ছাৰপিনিয়া উল্লেখযোগ্য।



## পিটুনিয়াৰ ব্যৱহাৰ ঃ

বিভিন্ন জাতৰ পিটুনিয়াৰ উপৰি পি.এক্স. এটকিনসিয়েনা নামৰ পিটুনিয়া বিধ আমাৰ ঘৰুৱা বাগিছা বিলাকত বহুলভাবে প্ৰচলিত। বিভিন্ন ৰঙৰ, বিভিন্ন আকাৰৰ আৰু বিভিন্ন গছৰ আকৃতিৰ পি.এক্স. এটকিনসিয়েনা আৰু বিভিন্ন জাতৰ পিটুনিয়া বহুলভাবে প্ৰচলিত।

| | | |
|---|---|---|
| পিটুনিয়াৰ উদ্ভিদ বিষয়ক নাম | - | পিটুনয়া |
| গছৰ ধৰণ | - | ফুল পুলা উদ্ভিদ |
| ফুলৰ ৰঙ | - | ৰঙা, গোলপীয়া, হালধীয়া, কজলা আৰু বগা |
| সূৰ্য্যৰ বিকিৰণ | - | পূৰ্ণ সূৰ্য্যৰ পোহৰ |
| ফুল ফুলা সময় | - | বসন্ত কাল, গ্ৰীষ্মকাল |

পিটুনিয়া এবিধ বহুলভাবে প্ৰচলিত ফুল। যিটো এবছৰতে ডাঙৰ-দীঘল হয়।



### পিটুনিয়াক দুটা ভাগত ভগোৱা হয় ঃ

১) গ্ৰণ্ডীফ্লাৰাৰ পিটুনিয়াৰ ফুলটো বহুত ডাঙৰ। যিবিধ সাধাৰণতে টাব বা ওলোমাই থোৱা টাবত ৰোৱা হয়।

২) মাল্টিফ্লোৰা পিটুনিয়া ফুলটো সৰু, কিন্তু ইয়াৰ গছত বহুতো ফুল ফুলে আৰু গ্ৰীষ্মকালত এই ফুলটো চপাব পাৰি।

### পিটুনিয়াৰ ৰোপন ঃ

পিটুনিয়া বীজৰ পৰা ৰুব পাৰি, কিন্তু যদি ইয়াৰ পুলি ৰোৱা হয় ইয়াৰ বৃদ্ধি সোনকালে হয়। যদি বীজৰ পৰা পিটুনীয়া ৰুব লাগে বীজ বিলাক ১০ৰ পৰা ১২ সপ্তাহ আগতে চালিৰ তলত সিঁচিব লাগে। পিটুনিয়া বীজটো বহুত সৰু ইয়াক গজাবলৈ পোহৰৰ প্ৰয়োজন হয় লগতে পানীৰো দৰকাৰ। যেতিয়া গজালিটোৰ তিনিটাকৈ পাত ধৰে তেতিয়া ইয়াক উঠাই বাগিছাত ৰুব লাগে। পিটুনিয়াক আচলতে এঠাইৰ পৰা আন এঠাইলৈ উঠাই নি ৰ'দ পৰা ঠাইত ৰুৱাতো উত্তম। ৰুৱাৰ সময় হ'ল বসন্ত কালৰ শেষৰ সময়, য'ত পানী আৰু সূৰ্য্যৰ পোহৰ পৰ্য্যাপ্ত থাকে। যদি ধুমুহাৰ পৰা ৰক্ষা কৰিব পাৰি পিটুনিয়া ফুল বিধৰ কাৰণে মঙ্গলজনক।

পিটুনিয়াক ১ ফুট দূৰত্বত ৰুব লাগে।

পিটুনিয়াক যদি টাৱত ৰুব লাগে তাত মাটি-গোবৰৰ মিশ্ৰণ দিব লাগে।

### পিটুনিয়াৰ লালন-পালন ঃ

পিটুনিয়াক তাপৰ প্ৰয়োজন, গতিকে ইয়াক সদায় পানীৰ প্ৰয়োজন নহয়। সপ্তাহত এবাৰ পানী দিলেই ইয়াৰ কাৰণে যথেষ্ট। ৰাসায়নিক সাৰ প্ৰতি মাহত ব্যৱহাৰ কৰি ইয়াৰ বৃদ্ধি বঢ়াব পাৰি। মৰহি যোৱা ফুল বিলাক আতৰাই দিব লাগে ইয়াৰ ফুলৰ উৎপাদন বৃদ্ধি পাবৰ বাবে।

### পিটুনিয়াৰ বেমাৰ ঃ

পিটুনিয়াৰ বিভিন্ন ৰোগে আক্ৰমণ কৰিব পাৰে। তাৰ ভিতৰত প্ৰধানকৈ –

- মোৱা পোকৰ আক্ৰমণ
- পলু পোকৰ আক্ৰমণ
- পাত সৰ ৰোগ
- পাতত দাগ পৰা ৰোগ
- বেক্টেৰিয়াৰ আক্ৰমণ
- বিভিন্ন ভাইৰাচৰ আক্ৰমণ

### পিটুনিয়াৰ বিভিন্নতা ঃ

কাৰ্পেট ছিৰিজ, মাটিত ৰুবৰ কাৰণে বিভিন্ন ৰঙৰ উপযুক্ত পিটুনিয়া।

চুগাৰ ডেডি - কজলা বৰণৰ ডাঠ সিৰ থকা পিটুনিয়া

ৰোজ ষ্টাৰ - গাত আচথকা গোলপীয়া পিটুনিয়া।



উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালৰ
দ্বাৰা প্ৰকাশিত
খানাপাৰা, গুৱাহাটী-২২



# পিটুনিয়া

# *Petunia*